Total number of printed pages–3

14 (ASM-1) 1·05

# 2015

# ASSAMESE

Paper : 1·05

*Full Marks : 64*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) ব্যাকৰণ, ভাষাতত্ত্ব (Philology) আৰু ভাষাবিজ্ঞান (Linguistics) ৰ পাৰ্থক্যৰ স্বৰূপ বিচাৰ কৰা। ব্যাকৰণ আৰু ভাষাতত্ত্বৰ স্তৰৰ মাধ্যমেৰে কেনেদৰে ভাষাবিজ্ঞানৰ অধ্যয়নৰ ইতিহাস আৰম্ভ হ'ল। আলোচনা কৰা। ৪+১০=১৪

*অথবা*

(খ) ভাষাবিজ্ঞান অধ্যয়নৰ স্তৰ (Levels) আৰু পৰিসৰ (Scopes) বুলিলে কি বুজা ? এই দুটাৰ সহায়ত ভাষাবিজ্ঞানৰ কি কি শাখা-প্ৰশাখা গঢ়ি উঠিছে, বিশদভাৱে লিখা।

Contd.

২। (ক) 'সমাজ ভাষা-বিজ্ঞানৰ সংজ্ঞা নিৰূপণ কৰি উপভাষা অধ্যয়নত সমাজ ভাষাবিজ্ঞানৰ ভূমিকা সম্পৰ্কে বিৱৰি লিখা। ১৪

*অথবা*

(খ) 'ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ সামগ্ৰিক আলোচনাই হ'ল ধ্বনিতত্ত্ব'—এই সম্পৰ্কে বিশ্লেষণাত্মক আলোচনা কৰা।

৩। (ক) ঐতিহাসিক ভাষাবিজ্ঞান ভাষাৰ কোনটো স্তৰৰ সৈতে জড়িত ? তুলনামূলক ভাষাবিজ্ঞানৰ লগত ঐতিহাসিক ভাষাবিজ্ঞানৰ কি কি বৈসাদৃশ্য পৰিলক্ষিত হয়, বিশ্লেষণ কৰা। ১৪

*অথবা*

(খ) আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ সংজ্ঞা দাঙি ধৰি আকৃতিৰ পৰা কেনেদৰে প্ৰাকৃতি নিৰ্ণয় কৰা হয়, আলোচনা কৰা।

৪। (ক) 'শৈলীবিজ্ঞান (Stylistics) হ'ল ভাষাবিজ্ঞান আধাৰিত এক উচ্চস্তৰীয় সাহিত্য সমালোচনাৰ পদ্ধতি।' সাহিত্যৰ যিকোনো এটি পাঠৰ আলমত এই উক্তিটি বিশ্লেষণ কৰা। ১৪

*অথবা*

(খ) 'চিহ্নবিজ্ঞান (Semiotics) ৰ সংজ্ঞা নিৰ্ণয় কৰি চিহ্নবিজ্ঞানৰ পৰম্পৰাত ফাৰ্দিনাণ্ড দ্য ছছ্যুৰ আৰু চাৰ্লচ চাণ্ডাৰ পীয়েৰ্চৰ চিহ্ন সম্পৰ্কীয় ধাৰণাৰ পাৰ্থক্য নিৰূপণ কৰা।

। চমুটোকা লিখা ঃ (যিকোনো দুটাৰ) ৪×২=৮

(ক) গাঁথনিক ভাষাবিজ্ঞান

(খ) বাক্যতত্ত্ব আৰু ৰূপান্তৰ স্ফোট ব্যাকৰণ (T.G. Grammar)

(গ) প্ৰসঙ্গাৰ্থ ভাষাবিজ্ঞান (Pragmatics)

(ঘ) অৰ্থ-সংশ্লেষ।

800